4C

Total No. of Printed Pages—16

# 2 SEM TDC STS G 1 (N/O)

## 2016

( May )

## STATISTICS

( General )

Course : 201

**( Probability and Distribution )**

*The figures in the margin indicate full marks for the questions*

( New Course )

*Full Marks* : 48

*Pass Marks* : 14

*Time* : 2 hours

**1.** শুদ্ধ উত্তৰটো বাচি উলিওৱা : 1×5=5

Select the correct answer :

(a) যদি $X \sim N(8, 64)$, তেন্তে মানক প্ৰসামান্য চলক হ'ব

If $X \sim N(8, 64)$, then the standard normal variate will be

(i) $Z = \dfrac{X-64}{8}$

(ii) $Z = \dfrac{X-8}{64}$

(iii) $Z = \dfrac{X-8}{8}$

(iv) $Z = \dfrac{8-X}{8}$

(b) যদি $P(A)=0\cdot5$, $P(B)=0\cdot3$ আৰু $P(A+B)=0\cdot8$, তেতিয়াহ'লে

If $P(A)=0\cdot5$, $P(B)=0\cdot3$ and $P(A+B)=0\cdot8$, then

(i) $A$ আৰু $B$ পৰস্পৰ বহিৰ্ভূত ঘটনা

$A$ and $B$ are mutually exclusive events

(ii) $A$ আৰু $B$ পৰস্পৰ অবহিৰ্ভূত ঘটনা

$A$ and $B$ are mutually non-exclusive events

(iii) $A$ আৰু $B$ দুটা স্বতন্ত্ৰ ঘটনা

$A$ and $B$ are independent events

(iv) ওপৰৰ এটাও নহয়

None of the above

(c) পয়চঁ বণ্টনৰ প্ৰাচলৰ সংখ্যা হৈছে

The number of parameters of Poisson distribution is

(i) 3

(ii) 1

(iii) 2

(iv) ওপৰৰ এটাও নহয়

None of the above



( Continued )



(d) যদি $X$ এটা যাদৃচ্ছিক চলক, তেন্তে $E(e^{tx})$ হ'ল

If $X$ is a random variable, then $E(e^{tx})$ is known as

(i) গাণিতিক প্ৰত্যাশা

mathematical expectation

(ii) ঘূৰ্ণকজনক ফলন

moment-generating function

(iii) সম্ভাৱিতাজনক ফলন

probability-generating function

(iv) ওপৰৰ গোটেইকেইটা

All of the above

(e) যদি $X$ এটা যাদৃচ্ছিক চলক আৰু ইয়াৰ মাধ্য $\overline{X}$, তেন্তে $E(X-\overline{X})^2$ হ'ল

If $X$ is a random variable with its mean $\overline{X}$, then the expression $E(X-\overline{X})^2$ represents

(i) প্ৰসৰণ

variance

(ii) দ্বিতীয় কেন্দ্ৰীয় ঘূৰ্ণক

second central moment

(iii) (i) আৰু (ii) দুয়োটাই

Both (i) and (ii)

(iv) ওপৰৰ এটাও নহয়

None of the above



( Turn Over )

**2.** তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া : 2×5=10

Answer the following questions :

*(a)* দ্বিপদ বণ্টনৰ আসন্ন ৰূপ হিচাপে পয়চঁ বণ্টন পোৱাৰ চৰ্তকেইটা উল্লেখ কৰা।

State the conditions under which you get the Poisson distribution as a limiting form of binomial distribution.

*(b)* চেভাইচেফৰ অসমতাটোৰ সূত্ৰটো লিখা।

State Tchebycheff's inequality.

*(c)* সম্ভাৱিতাৰ স্বতঃসৈদ্ধক বিচাৰ পদ্ধতিটো ব্যাখ্যা কৰা।

Explain axiomatic approach to probability.

*(d)* এটা পাশা নিক্ষেপ কৰোঁতে ইয়াৰ পিঠিত পোৱা সংখ্যাৰ প্ৰত্যাশিত মান নিৰ্ণয় কৰা।

Find the expected value of the number shown on the face when a die is thrown.

*(e)* বেইজৰ উপপাদ্যটো লিখা।

State Bayes' theorem.

**3.** *(a)* দেখুওৱা যে, পয়চঁ বণ্টনৰ গড় আৰু প্ৰসৰণ সমান। 5

Show that the mean and variance of a Poisson distribution are equal.



( Continued )



*(b)* এখন কিতাপত প্ৰতি পৃষ্ঠাত ছপাৰ গড় ভুলৰ সংখ্যা 3. এখন পৃষ্ঠাত 5টাতকৈ অধিক ছপাৰ ভুল থকাৰ সম্ভাৱিতা নিৰ্ণয় কৰা। (দিয়া আছে : $e^{-3} = 0 \cdot 0498$) 3

The average number of printing mistakes per page in a book is 3. Find the probability that a page contains more than 5 printing mistakes. (Given : $e^{-3} = 0 \cdot 0498$)

**4.** *(a)* যি কোনো দুটা ঘটনাৰ ক্ষেত্ৰত সম্ভাৱিতাৰ যোগ সূত্ৰটো লিখা আৰু প্ৰমাণ কৰা। তিনিটা ঘটনাৰ ক্ষেত্ৰত এই সূত্ৰটো লিখা। 4+1=5

State and prove addition theorem of probability for any two events. Write down this law for three events.

*অথবা / Or*

*(b)* এজাপ সম্পূৰ্ণ তাচপাতৰ পৰা যাদৃচ্ছিকভাৱে এখিলা পাত টনা হ'ল। পাতখিলা 'ace' নাইবা 'spade' হোৱাৰ সম্ভাৱিতা নিৰ্ণয় কৰা। 5

A card is drawn at random from a full pack of cards. Find the probability that it is either an 'ace' or a 'spade'.

*(c)* যদি $A$ আৰু $B$ স্বতন্ত্ৰ ঘটনা হয়, তেন্তে প্ৰমাণ কৰা যে $A$ আৰু $\bar{B}$ও স্বতন্ত্ৰ হ'ব। 2

If $A$ and $B$ are independent events, then prove that $A$ and $\bar{B}$ are also independent.

( Turn Over )

5. (a) সম্ভাৱিতা ঘনত্ব ফলনৰ সংজ্ঞা লিখা। সঞ্চয়ী বণ্টন ফলনৰ সংজ্ঞা লিখা আৰু ইয়াৰ ধৰ্মসমূহ লিখা। 6

Define probability density function. Define cumulative distribution function and explain its properties.

অথবা / Or

(b) ধৰা হওক, তলৰ সম্ভাৱিতা বণ্টন থকা যাদৃচ্ছিক চলকটো হৈছে $X$ :

Let $X$ be a random variable with the following probability distribution :

| $X$ : | 0 | 1 | 2 | 3 |
|---|---|---|---|---|
| $P(x)$ : | 1/3 | 1/2 | 1/24 | 1/8 |

মান উলিওৱা (Find) : $E(X-1)^2$, $V(X)$. 6

(c) তলৰ ফলনটো সম্ভাৱিতা ঘনত্ব ফলন হয়নে, পৰীক্ষা কৰা :

Examine whether the following function is a probability density function or not :

$$f(x) = \frac{1}{18}(3+2x), \quad 2 \le x \le 4$$
$$= 0, \quad \text{অন্যথা / otherwise}$$

$P(3 \le x \le 4)$ ৰ মান নিৰ্ণয় কৰা।

Evaluate $P(3 \le x \le 4)$. 4





6. তলৰ $X$ আৰু $Y$ দুটা যাদৃচ্ছিক চলকৰ যৌথ সম্ভাৱিতা ঘনত্ব ফলনটো হ'ল

Two random variables $X$ and $Y$ have the following joint probability density function :

$$f(x, y) = \begin{cases} 2-x-y, & 0 \le x \le 1, 0 \le y \le 1 \\ 0, & \text{অন্যথা / otherwise} \end{cases}$$

(a) $X$ আৰু $Y$ ৰ প্ৰান্তিক সম্ভাৱিতা ঘনত্ব ফলন নিৰ্ণয় কৰা।

Find the marginal probability density function of $X$ and $Y$.

(b) প্ৰদত্ত $Y = y$ ৰ কাৰণে $X$ ৰ প্ৰতিবন্ধ ঘনত্ব ফলন আৰু প্ৰদত্ত $X = x$ ৰ কাৰণে $Y$ ৰ প্ৰতিবন্ধ সম্ভাৱিতা ঘনত্ব ফলন নিৰ্ণয় কৰা। 8

Find the conditional density function of $X$, given $Y = y$ and also conditional density function of $Y$, given $X = x$.



49